# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 15-04-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

১। আজি পহিলা ব'হাগৰ পৰা ৰাজ্যৰ সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষা ব্যৱহাৰৰ বাবে ৰাজ্য চৰকাৰৰ অধিসূচনা জাৰি। বৰাক উপত্যকাত বাংলা, বড়োভূমিত বড়ো ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক।

২। পৰম্পৰাগতভাৱে আজি ৰাজ্যত মানুহ বিহু পালন। বৰপেটা সত্ৰৰ পৰম্পৰাগত বৰ্ষফল গণনাত ৰাজ্য আৰু দেশৰ ভাগ্য সম্পৰ্কত ভৱিষদ্বাণী।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি নলবাৰীত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

৪। ৰঙালী বিহুৰ উৎসাহ-উদ্দীপনাৰ মাজতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি অব্যাহত।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

ooooo

অসম চৰকাৰে আজি পহিলা ব'হাগৰ দিনাই সমগ্ৰ ৰাজ্যতে অসমীয়া ভাষা ব্যৱহাৰৰ বাবে অধিসূচনা জাৰি কৰিছে। চৰকাৰী ভাষা আইন-১৯৬০ৰ ৭ আৰু ৩ নম্বৰ ধাৰা অনুসৰি বৰাক উপত্যকা, ষষ্ঠ অনুসূচীৰ অন্তৰ্গত পাৰ্বত্য জিলা আৰু বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অধীনৰ অঞ্চলৰ বাহিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলোবোৰ জিলাতে আজিৰে পৰা সকলো চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰা হৈছে। বৰাক উপত্যকাৰ ৩ খন জিলাত সকলো চৰকাৰী কামৰ বাবে ইংৰাজীৰ উপৰিও বাংলা ভাষা ব্যৱহাৰ কৰা হ'ব। বড়োলেণ্ড পৰিষদীয় এলেকাত যিকোনো চৰকাৰী কামত ইংৰাজীৰ লগতে বড়ো ভাষা ব্যৱহাৰ কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা সকলো আদেশ, অধিসূচনা আৰু নিৰ্দেশনা সংশ্লিষ্ট বিভাগৰ দ্বাৰা ৩০ দিনৰ ভিতৰত অসমীয়া, বড়ো বা বাংলা ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব লাগিব। ৰাজ্য চৰকাৰৰ সকলো বিধেয়ক, আইন, নিয়ম, বিধি, আদেশ, অধিসূচনা, প্ৰশাসনীয় নিৰ্দেশনা, বদলি আৰু নিযুক্তিৰ আদেশ তথা চৰকাৰী ৰাজপত্ৰ ইংৰাজী সংস্কৰণৰ লগতে অসমীয়া ভাষাত প্ৰকাশ কৰা হ'ব। পুৰণি সকলো আইন, নীতি, বিধি, অধিসূচনা আদিও দুই বছৰৰ ভিতৰত অসমীয়া ভাষালৈ অথবা প্ৰয়োজন সাপেক্ষে বড়ো আৰু বাংলা ভাষালৈ অনুবাদ

কৰিব লাগিব। এই অনুবাদ প্ৰক্ৰিয়া বিশ্ববিদ্যালয়সমূহৰ ভাষা বিভাগৰ সহায়ত সম্পন্ন কৰা হ'ব অৱশ্যে দুয়োটা সংস্কৰণৰ মাজত কোনো অস্পষ্টতা বা অমিল পৰিলক্ষিত হলে অথবা আইনী বাখ্যাৰ প্ৰয়োজন হলে ইংৰাজী সংস্কৰণৰ শব্দক মান্যতা দিয়া হ'ব। আনহাতে, ভাৰত চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহ আৰু অন্য ৰাজ্যিক প্ৰশাসনৰ সৈতে যোগাযোগৰ বাবে ইংৰাজী ভাষাৰ ব্যৱহাৰ অব্যাহত থাকিব। এইসমূহ বিষয়ৰ উপৰিও ন্যায়ালয়ত দাখিল কৰিবলগীয়া সকলো অনুসন্ধানৰ প্ৰতিবেদন, অনুচ্ছেদ ভিত্তিক মন্তব্য, নিৰ্দেশনা, শপতনামা, চিঠিপত্ৰ ইত্যাদিত ইংৰাজী ভাষাৰ ব্যৱহাৰ বাহাল থাকিব। যিকোনো নিয়ম, আইন, নিয়মাৱলী, কাৰ্যালয়ৰ আদেশ, আদালতৰ আদেশ বা ৰায়ত সন্নিবিষ্ট ব্যৱস্থাবোৰৰ বাখ্যাৰ বাবে ইংৰাজী সংস্কৰণক মূল হিচাপে ধৰা হ'ব। ইংৰাজী ভাষাৰ পৰা অসমীয়া, বাংলা আৰু বড়ো ভাষালৈ অনুবাদৰ বাবে **অনুভাষিনী এপ** ব্যৱহাৰ কৰিব পাৰিব। অৱশ্যে অনুবাদ কৰা সংস্কৰণবোৰ শুদ্ধ আৰু সঠিক হোৱাটো নিশ্চিত কৰিবলৈ সতৰ্কতা অৱলম্বন কৰিব লাগিব। এই অধিসূচনা আজিৰ পৰা কাৰ্যকৰী হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে। ০০০০

০০০০০

সমগ্ৰ ৰাজ্যজুৰি আজি পহিলা ব'হাগৰ দিনটোত মানুহ বিহু পালন কৰা হৈছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। পহিলা ব'হাগ উপলক্ষে ৰাজ্যখনৰ মঠ-মন্দিৰসমূহত ভক্তপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হৈছে। বিভিন্ন ঠাইত মুকলি বিহু আৰু মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে। কণ-কণ শিশুসকলৰ পৰা আৰম্ভ কৰি ডেকা-জীয়ৰী সকলে ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে।

**(মিউজিক ঃ হুঁচৰি)**

**শিৱসাগৰ** জিলাত ৰংপুৰ ৰঙালী বিহু সন্মিলনৰ উদ্যোগত আজি ৰংঘৰৰ বাকৰিত মুকলি বিহুৰ আয়োজন কৰা হয়। তলাতল ঘৰৰ পৰা ৰংঘৰৰ বাকৰিলৈ প্ৰতীকি স্বৰ্গদেউক লৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোকে অংশগ্ৰহণ কৰা এই ৰঙালী বিহুৰ কাৰ্যসূচীত পৰম্পৰাগত খেল-ধেমালি আৰু বিহু-হুঁচৰি অনুষ্ঠান পৰিৱেশন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মন্ত্ৰী পীযূষ হাজৰিকাই ৰাজ্যবাসীক বিহু শুভেচ্ছা জ্ঞাপন কৰে।

**মাজুলী**ৰ সত্ৰসমূহত বৈষ্ণৱসকলে ৰঙালী বিহু উপলক্ষে বোকাখেল খেলে। লোক ৰীতি আৰু পৰম্পৰাৰ মাজেৰে উদযাপন কৰা এই বোকাখেলে বসন্ত উৎসৱৰ বিশেষ মাত্ৰা বহন কৰি আহিছে বুলি আমাৰ মাজুলীৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

**কাৰ্বি আংলং** জিলাৰ ডিফু কেন্দ্ৰীয় বিহু সমিতিৰ উদ্যোগত বিহু ক্লাবৰ প্ৰাংগণত ৰঙালী বিহু উদযাপন কৰা হৈছে। এই উপলক্ষে আজি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়।

**ডিব্ৰুগড়** জিলাতো পহিলা ব'হাগ উপলক্ষে মঠ-মন্দিৰসমূহত ভিৰ দেখিবলৈ পোৱা যায়। জিলাখনৰ বিভিন্ন ঠাইত মুকলি বিহু, মঞ্চ বিহু আদি অনুষ্ঠিত হৈছে।

**ধেমাজি** জিলাত সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত কাছাৰী ময়দানত দিনজোৱা কাৰ্যসূচীৰে মুকলি বিহু অনুষ্ঠিত হয়। এই মুকলি বিহুত বিভিন্ন জনগোষ্ঠীয় লোককৃষ্টিৰ দল আৰু কেইবাটাও বিহু দলে অনুষ্ঠান প্ৰদৰ্শন কৰে।

**বৰপেটা** জিলাৰ বিভিন্ন সত্ৰসমূহত সত্ৰীয়া নীতি-নিয়মেৰে ৰঙালী বিহু উদযাপন কৰা হৈছে। বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ মথুৰা দাস বুঢ়া আতাৰ দিনৰে পৰা পৰম্পৰাগতভাৱে ৰঙালী বিহু পালন কৰি অহা হৈছে। পহিলা ব'হাগৰ দিনটোত আজি বৰপেটা সত্ৰত বৰদুমাহী পালন কৰা হয়। এই উপলক্ষে কালি পুৱা আৰম্ভ হোৱা নাম প্ৰসংগ, গুৰুঘাট বজোৱা আদি কাৰ্যসূচী অহা ৬ ব'হাগ পৰ্যন্ত পালন কৰা হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো বৰপেটা সত্ৰত সত্ৰৰ দৈৱজ্ঞই পহিলা ব'হাগৰ দিনটোত বৰ্ষফল গণনা কৰা হয়।

**গোৱালপাৰা** জিলাৰ ৰামপুৰৰ ব'হাগী উদযাপন সমিতিয়ে প্ৰতিবছৰৰ দৰে এইবাৰো থলুৱা খেল-ধেমালি অনুষ্ঠিত কৰে। বাৰকুৰি জীয়ৰী-বোৱাৰীয়ে ৰাভা লোকনৃত্য পৰিৱেশন কৰে।

পহিলা ব'হাগ উপলক্ষে **কামৰূপ** জিলাৰ মঠ-মন্দিৰ, সত্ৰ-দেৱালয়সমূহত ভক্তসকলে ভিৰ কৰে। উত্তৰ গুৱাহাটীৰ দৌলগোবিন্দ মন্দিৰ, দীৰ্ঘেশ্বৰী দেৱালয়, হাজোৰ মাধৱ মন্দিৰ, কেদাৰ মন্দিৰ, বাইহাটা চাৰিআলিৰ মদন কামদেৱ, পিংগলেশ্বৰ দেৱালয়, শুৱালকুছিৰ শ্ৰীহাটি সত্ৰ আদিত ভক্তসকলে অনাগত বছৰটো শান্তি-সমৃদ্ধিৰে পাৰ কৰিবৰ বাবে ভগৱানৰ আশিস লয়।

**বজালীৰ** হৰিপুৰত আয়োজিত ৰঙালী বিহুৰ কাৰ্যসূচীত গছপুলি ৰোপণ, বিশেষভাৱে সক্ষম শিশুসকলৰ মাজত ফলমূল বিতৰণকে ধৰি বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়।

০০০০

পহিলা ব'হাগত দিনটোত আজি **লখিমপুৰ** জিলা ঘূণাসুতি খামতি গাঁৱত পয়চাংকেন বিহু উদযাপন কৰা হয়। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে পালন কৰা এই পয়চাংকেন বিহুত গাঁৱৰ ৰাইজে একেলগে পানী খেলি আনন্দ কৰাৰ লগতে বুদ্ধৰ মূৰ্তিক বিশেষ পদ্ধতিৰে পানীৰে ধুৱাই পূজা-অৰ্চনা কৰে।

**কোকৰাঝাৰ** জিলাৰ বাগানহালিৰ বাথৌ থানচালিত ৰংজালী বৈসাগু উপলক্ষে প্ৰাৰ্থনা অনুষ্ঠিত হয়। জিলাখনৰ ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানৰ এখন ৰিজৰ্টত বৈসাগু উৎসৱ উপলক্ষে ভালেমান বিদেশী পৰ্যটকে বড়ো সাজপাৰ পৰিধান কৰি পৰম্পৰাগত বাদ্যৰ তালে তালে নৃত্য পৰিৱেশন কৰে।

০০০০

বৰপেটা সত্ৰৰ পৰম্পৰাগত বৰ্ষফল গণনা আজি আনুষ্ঠানিকভাৱে প্ৰকাশ কৰা হয়। ৰাজ্যখনৰ বাবে অসমীয়া ১৪৪৭ শকটো মিশ্ৰিত হ'ব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাবে এই বছৰটো শুভ হ'ব যদিও সদৌ অসম ছাত্ৰ সন্থাকে ধৰি কেইবাটাও জাতীয় সংগঠনৰ বাবে বছৰটো বৰ শুভ নহ'ব বুলি গণনাৰ ফলাফলত কোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ বাবে ২০২৬ চনৰ নৱেম্বৰলৈকে শুভ দশা চলি থাকিব। অৱশ্যে ১৪ আহাৰৰ পৰা ৰাহু আৰু কেতুৰ দশাৰ বাবে ৰাজনৈতিক ক্ষেত্ৰত ড° শৰ্মা কিছু সাৱধান হোৱা ভাল বুলি গণনাত কোৱা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবে অহা ২৭ মে'লৈকে অশুভ ফল গণনাত পোৱা গৈছে। বৰপেটা সত্ৰৰ দৈৱজ্ঞ ত্ৰিদিব দেৱশৰ্মাই এই বৰ্ষফল ঘোষণা কৰি কয় ঃ

বাইট

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নলবাৰীৰ বৰনদ্দীত ১০৩ বছৰীয়া মহাবিষ্ণু যজ্ঞত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণ প্ৰসংগত যজ্ঞ পৰিচালনা সমিতিক এটা বিবাহ ভৱন নিৰ্মাণ কৰাৰ বাবে এক কোটি টকা প্ৰদানৰ আশ্বাস দিয়ে। ড০ শৰ্মাই আজি জিলাখনত বিজেপিৰ বাঁহজানী মণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়

গৃহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কাৰ্যালয় গৃহ উদ্বোধন কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী শৰ্মাই অসমবাসীলৈ ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ ব'হাগে ৰাজ্যখনলৈ শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ কামনা কৰে। ড° শৰ্মাই সমাগত পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে আশানুৰূপ ফলাফল লাভ কৰিব বুলি দাবী কৰে। ইপিনে ৱক্‌ফ সংশোধনী আইন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এই আইনক লৈ ৰাজপথৰ আন্দোলন গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰে।

**বাইট (চি এম)**

০০০০

ৰঙালী বিহুৰ উৎসাহ-উদ্দীপনাৰ মাজতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে প্ৰস্তুতি চলাই আছে। নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে।

**হোজাই** জিলাত এই নিৰ্বাচনক লৈ প্ৰস্তুতি চলি আছে। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে প্ৰকাশ কৰা মতে জিলাখনত নিৰ্বাচনৰ বাবে ৪ হাজাৰতকৈ অধিক কৰ্মচাৰী নিয়োগ কৰা হ'ব। ইতিমধ্যে দুজন নিৰ্বাচনী পৰ্যৱেক্ষক নিয়োগ কৰা হৈছে।

**শ্ৰীভূমি** জিলাৰ বান্দৰকোনা জিলা পৰিষদৰ বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থী হেনা বেগমে আজি শ্বেৰপুৰত প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪ খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমত লোৱাৰ বাবে ফোন লাইন পুনৰ মুকলি কৰিছে। আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক অনুষ্ঠান সম্পৰ্কীয় অভিমত আৰু পৰামৰ্শ শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছএপ যোগে পঠিয়াব পাৰিব। এই অনুষ্ঠানৰ নিৰ্বাচিত অংশ অহা ১৯ এপ্ৰিল শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০

বাক্সা জিলাৰ বিভিন্ন স্থানত আজি গোসাই বাঁহ অৰ্থাৎ দহৰফুৰোৱা উৎসৱ আৰম্ভ হৈছে। জিলাখনৰ মা গোসানী, মা কামাখ্যা, কলিয়া ঠাকুৰ, ভাংৰা গোসাই, বুঢ়া গোসাই, গৰখীয়া আদি স্থানত এই উৎসৱ উদযাপন কৰা হয়। উল্লেখযোগ্য যে এই লোক উৎসৱৰ বাবে ৫-৬ ডাল দীঘল বাঁহ কাটি গৰু বিহুৰ দজিনাখন গোসাইদহৰ বাঁহ সজোৱা হয়। মুৰত পিতলৰ চোলা পিন্ধাই গোটেই গোসাই বাঁহদাল ৰঙীন কাপোৰেৰে

মেৰিয়াই ওপৰত ৰুমাল, ফুলাম গামোচা আদি গাঠি দিয়া হয়। গাওঁৰ চেমনীয়াসকলে দহৰগোসাইক ঢোল, তাল, বৰকাঁহ, শংখ আদি বজাই শোভাযাত্ৰাৰে ঘৰে ঘৰে লৈ গৈ বছৰটোৰ বাবে আশীৰ্বাদ লয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ্ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

০০০০

সমাপ্ত